# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-10-2024
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

০০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে আজি ৯গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াকে লৈ এই পৰ্যন্ত ১৪গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিলে। কাইলৈ উপ-নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল অন্তিম দিন।

ছিদলী বিধানসভা সমষ্টিত আজি এন ডি এ সমৰ্থিত ইউ পি পি এল দলৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মাই মিত্ৰজোঁটৰ কেইবাজনো নেতাৰ উপস্থিতিত কাজলগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়নপত্ৰ দাখিল কৰে।

ধলাই সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী নিহাৰৰঞ্জন দাসে দলৰ কেইবাগৰাকীও সাংসদ, বিধায়ক তথা জ্যেষ্ঠ নেতাৰ উপস্থিতিত মনোনয়ন পত্ৰ দাখিল কৰে। চামগুৰি সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিল হুছেইনে আজি মনোননয় পত্ৰ দাখিল কৰে। চামগুৰি বিধানসভা সমষ্টিৰ বাবে প্ৰাৰ্থীগৰাকীয়ে মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত দলৰ সাংসদদ্বয় গৌৰৱ গগৈ, ৰকিবুল হুছেইন আৰু বিধায়ক দেৱব্ৰত শইকীয়া উপস্থিত থাকে।

ইপিনে, যোৱা দুদিন ধৰি অব্যাহত থকা উৎকণ্ঠাৰ অৱসান ঘটাই আজি বিহালী আসনখনৰ বাবে কংগ্ৰেছ দলে প্ৰাৰ্থী ঘোষণা কৰে। দলে এই আসনখনৰ বাবে জয়ন্ত বৰাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। প্ৰথমে এই আসনখন অসম সন্মিলিত মৰ্চাৰ প্ৰাৰ্থীক প্ৰদান কৰাৰ কথা আছিল যদিও শেষ মুহূৰ্তত কংগ্ৰেছে দলীয় প্ৰাৰ্থীক আসন প্ৰদান কৰে।

০০০০০

কেন্দ্ৰীয় বস্ত্ৰ শিল্প আৰু বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি যোৰহাটৰ লাহদৈগড়ত কেন্দ্ৰীয় মূগা, এড়ী, গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ ৰূপালী জয়ন্তী উদযাপন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই প্ৰতিষ্ঠানটোৱে ৰেচম উদ্যোগ বিশেষকৈ মূগা আৰু এড়ী, ৰেচম সূতা উৎপাদনৰ ক্ষেত্ৰত  বিগত ২৫ বছৰে গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াই আহিছে। আজি উদ্বোধনী অধিবেশনৰ পাছতেই প্ৰদৰ্শনী মুকলি, কেন্দ্ৰীয় ৰেচম বোৰ্ডৰ ইতিহাস দেৱাল আদি উন্মোচন, তথ্যচিত্ৰ আৰু স্মাৰক উন্মোচন, গ্ৰন্থ উন্মোচন কাৰ্যসূচী আদি লোৱা হয়।  মন্ত্ৰীগৰাকীয়ে আজি কঁহৰাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পত সমৰ্থ শীৰ্ষক আঁচনি উদ্বোধনী অনুষ্ঠানত অংশ লোৱাৰ কথা। উল্লেখযোগ্য যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পৰ সহযোগত কেন্দ্ৰীয় ৰেচম বোৰ্ডে কাজিৰঙা প্ৰান্তীয় সম্প্ৰদায়ৰ শিপিনীসকলৰ বাবে সমৰ্থ আঁচনিৰ অধীনত দক্ষতা বিকাশ কাৰ্যসূচী আৰম্ভ কৰিব। এই কাৰ্যসূচীৰ জৰিয়তে এশগৰাকী শিপিনীক সামৰি ল'ব। আজিৰ পৰা ৩ ডিচেম্বৰলৈ চলিবলগীয়া এই প্ৰশিক্ষণ কাৰ্যসূচীয়ে শিপিনীসকলক জীৱিকাৰ বিকল্প সুযোগ দিব বুলি আশা কৰা হৈছে।

০০০০০

কাৰ্বি আংলং জিলা প্ৰশাসনৰ উদ্যোগত ডিফু আৰৰ্ত ভৱনত চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত জিলাখনৰ তৃতীয় বৰ্গৰ কৰ্মচাৰী প্ৰশিক্ষণৰ প্ৰথম পৰ্যায়ৰ আজি সামৰণি পৰে। জিলা প্ৰশাসনৰ তৃতীয় বৰ্গৰ কৰ্মচাৰীৰ উপৰি জলসিঞ্চন, লোকনিৰ্মাণ, কৃষি, বন আৰু পৰিৱেশ, সমাজকল্যাণ বিভাগ ইত্যাদি তথা আৰক্ষী প্ৰশাসন আৰু বিভিন্ন শিক্ষানুষ্ঠানৰ কৰ্মচাৰীক এই প্ৰশিক্ষণ প্ৰদান কৰা হয়। প্ৰশিক্ষাৰ্থীসকলক কাৰ্যালয় পৰিচালনা প্ৰণালী, বিভিন্ন অধিনিয়ম অনুশাসন আৰু আবেদনৰ নিয়ম, সংৰক্ষণ, ৰুষ্টাৰ পদ্ধতি, ছুটীৰ নিয়মকে ধৰি বিভিন্ন নীতি সম্পৰ্কত প্ৰশিক্ষণ দিয়া হয়।

০০০০০

অসম চৰকাৰে অসমীয়া ভাষাই ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি লাভ কৰাৰ আনন্দ উদযাপনৰ বাবে অহা ৩ৰ পৰা ৯ নৱেম্বৰলৈ **ভাষা গৌৰৱ সপ্তাহ** পালনৰ প্ৰস্তুতি অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰীৰ পৰামৰ্শমৰ্মে প্ৰতিখন জিলাতে এই সপ্তাহৰ কাৰ্যসূচীৰ অংশ হিচাপে অসমৰ বৰেণ্য সাহিত্যিকসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ উপৰি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। তামুলপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি এই উপলক্ষে এখন সভা অনুষ্ঠিত হয়। এই সভাত জিলাখনৰ আয়ুক্তই ভাষা গৌৰৱ সপ্তাহ নিয়াৰিকৈ পালন কৰাৰ বাবে আহ্বান জনায়। জিলা প্ৰশাসনৰ উদ্যোগত ৩ নৱেম্বৰত এই সপ্তাহ উদযাপনৰ বিপৰীতে সপ্তাহটোৰ অন্য দিনকেইটাত বিদ্যালয়, মহাবিদ্যালয়, সাহিত্যানুষ্ঠান, ক্ৰীড়া তথা যুৱ সংঘ, আত্মসহায়ক গোট আদিক নিজৰ সুবিধা অনুযায়ী ভাষা গৌৰৱ সপ্তাহ পালন কৰিবলৈ কোৱা হৈছে। অনুষ্ঠানসমূহৰ ৰাজ্য চৰকাৰৰ জৰিয়তে দেশৰ প্ৰধানমন্ত্ৰীলৈ ধন্যবাদসূচক পত্ৰ প্ৰেৰণৰ বাবেও আহ্বান জনোৱা হৈছে।

গোলাঘাট জিলাৰ দক্ষিণ খণ্ড উন্নয়নৰ বিষয়াৰ প্ৰেক্ষাগৃহত আজি ভাষা গৌৰৱ সপ্তাহ উদযাপন সন্দৰ্ভত আলোচনা কৰা হয়। অনুষ্ঠানত জিলা প্ৰশাসনৰ বিষয়ববীয়াৰ লগতে খণ্ড উন্নয়ন বিষয়া তথা অন্যান্য চৰকাৰী বিষয়া উপস্থিত থাকে।

০০০০০

পূব মধ্য বংগোপসাগৰত সৃষ্টি হোৱা ঘূৰ্ণীবতাহ ডানাৰ প্ৰভাৱত অসমত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে কোনো কোনো ঠাইত পাতলীয়া বৰষুণ হৈ আছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে জনোৱা মতে আজি নিশা বা কাইলৈ নিচেই পুৱা এই বতাহজাকে ওড়িশাৰ উপকূলত খুন্দা মৰাৰ সম্ভাৱনা আছে। বিভাগে বতাহজাক প্ৰতি ঘণ্টাত ১০০ৰ পৰা ১২০ কিলোমিটাৰ বেগেৰে বলিব পাৰে বুলি সতৰ্কতা জাৰি কৰিছে। বতাহজাকৰ ফলত ওড়িশাৰ কেন্দ্ৰপাৰা, বালেশ্বৰ আৰু ভদ্ৰক জিলাৰ সৰ্বাধিক ক্ষতি হ'ব পাৰে বুলি আশংকা কৰা হৈছে। ৰাজ্যখনৰ অন্য ১১খন জিলাতো ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ধুমুহা জাকৰ সম্ভাৱনালৈ চাই ভুৱনেশ্বৰত বিজু পাটনায়ক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ সেৱা আজি বিয়লি ৫ বজাৰ পৰা কাইলৈ পুৱা ৯ বজালৈ বাতিল কৰা হৈছে।

০০০০০

সমাপ্ত